**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চত্তিশগড়কে ধৰি দেশৰ প্ৰতিটো অংশ মাওবাদীৰ হিংসাৰ পৰা মুক্ত হ'বলৈ আৰু বেছিদিন নাই বুলি প্ৰকাশ কৰিছে।

২। ই পি এফ অ' অকল এটা পুজিয়েই নহয়, সামাজিক সুৰক্ষাৰ প্ৰতি দেশৰ কৰ্মশক্তিৰ বিশ্বাসৰ প্ৰতীক বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে।

৩। প্ৰসাৰ ভাৰতীয়ে কাইলৈৰ পৰা ২৯ নৱেম্বৰলৈ সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত সমগ্ৰ দেশৰ ২৪ টা কেন্দ্ৰত আকাশবাণী সংগীত সন্মিলনৰ ৬৭ সংখ্যক সংস্কৰণৰ আয়োজন কৰিছে।

৪। ১৯৯০ বৰ্ষৰ ভাৰতীয় প্ৰতিৰক্ষা গাণনিক সেৱাৰ বিষয়া বিশ্বজিৎ সহাই আজি প্ৰতিৰক্ষা গাণনিক সেৱাৰ মহা নিয়ন্ত্ৰক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। *আৰু*

৫। আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত - দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চত্তিশগড়কে ধৰি দেশৰ আন প্ৰান্তত মাওবাদীৰ হিংসাত্মক ঘটনাৰ পৰা মুক্ত হবলৈ আৰু বেছিদিন নাই। আজি চত্তিশগড় ৰাজ্য গঠনৰ ২৫ বছৰ হোৱা উপলক্ষে আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ কয় যে, মাওবাদীৰ হিংসাত্মক কাৰ্যকলাপৰ ফলত জনজাতি অধ্যুষিত চত্তিশগড় পথ, বিদ্যালয়, চিকিৎসালয় আদিকে ধৰি আন প্ৰাথমিক সা-সুবিধাৰ পৰা দীৰ্ঘদিন বঞ্চিত হৈ আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই কাৰ্যসূচীত পথ, উদ্যোগ, স্বাস্থ্য যতন, শক্তি আদিকে ধৰি প্ৰায় ১৪ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চত্তিশগড়ৰ নৱৰায়পুৰত নতুনকৈ নিৰ্মাণ কৰা চত্তিশগড় বিধানসভা ভৱন উদ্বোধন কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত ৰত্ন তথা দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে কয় যে সমগ্ৰ দেশত আজি বিকাশ সাধন হোৱাৰ লগতে ঐতিহ্যৰ সংৰক্ষণৰ ক্ষেত্ৰতো দেশ আগবাঢ়ি গৈছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰতিটো নীতি আৰু সিদ্ধান্তত এই ভাৱধাৰা প্ৰতিফলিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে চত্তিশগড়ৰ নতুন বিধানসভা ভৱনটোত ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য তথা ৰাজ্যখনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। তেওঁ লগতে কয় যে নতুন ভৱনটো গণতন্ত্ৰৰ স্তম্ভ হিচাপে থিয় হৈ থকাৰ লগতে ভৱিষ্যত সময়ৰ বাবে চত্তিশগড়ৰ ভাগ্য নিৰ্ণয় কৰি। ভ্ৰমণৰ অংশ হিচাপ তেঁও নৱৰায়পুৰত শ্বহিদ বীৰনাৰায়ণ সিং স্মাৰক আৰু জনজাতি মুক্তি যুজাৰু সংগ্ৰহালয় পৰিদৰ্শন কৰে। এদিনীয়া ভ্ৰমণৰ

অংশ হিচাপে প্ৰধানমন্ত্ৰী মোদীয়ে নৱৰায়পুৰত ব্ৰহ্মকুমাৰী শান্তি শিখৰ উন্মোচন কৰে। আধ্যাত্মিক শিকনি, শান্তি আৰু যোগাভ্যাসৰ ক্ষেত্ৰত এই কেন্দ্ৰটো আধুনিক কেন্দ্ৰ হিচাপে বিবেচিত হ'ব। ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে কয় যে ৰাজ্যসমূহৰ বিকাশৰ লগত দেশৰ বিকাশ জড়িত হৈ আছে। তেওঁ লগতে বিকশিত ৰাষ্ট্ৰ হিচাপে ভাৰতক গঢ়ি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতাৰ কথা দোঁহাৰে। শ্ৰীমোদীয়ে ব্ৰহ্মকুমাৰীৰ দৰে সংস্থাসমূহে এই ক্ষেত্ৰত এটা উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে বুলি উল্লেখ কৰে। তেওঁ লগত কয় যে এনে ধৰণৰ সংস্থাসমূহে কথাতকৈ কাম কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। বিশ্ব শান্তিৰ ক্ষেত্ৰত অনাগত সময়ত কেন্দ্ৰীয় চৰকাৰ বৃহৎ মঞ্চ হিচাপে পৰিগণিত হৈ উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে নৱৰায়পুৰত শ্ৰীসত্যসাই সঞ্জীৱনী চিকিৎসালয় পৰিদৰ্শন কৰে। এই চিকিৎসালয়ত তেওঁ প্ৰায় আঢ়ৈ হাজাৰ শিশুৰ সৈতে **দিল কী বাত** শীৰ্ষক কাৰ্যসূচীত শিশুসকলৰ সৈতে মত বিনিময় কৰে। এই চিকিৎসালয়খনত জন্মৰে পৰা হৃদৰোগত আক্ৰান্ত শিশুসকলক বিনামূলীয়া চিকিৎসা প্ৰদান কৰি অহা হৈছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে শিশুসকলক জীৱন উপহাৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে ভাৰতে সুস্থ নাৰী, সবল পৰিয়াল অভিযানৰ অধীনত তিনিটা বিশ্ব অভিলেখেৰে গীনিজ বুকত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। ১৭ ছেপ্তেম্বৰৰ পৰা দুই অক্টোবৰলৈ অনুষ্ঠিত এই কাৰ্যসূচীত বৃহৎ সংখ্যক লোকে অংশগ্ৰহণ কৰে। এই পদক্ষেপৰ অধীনত কেৱল এমাহত এটা স্বাস্থ্য সেৱা প্লেটফৰ্মত ৩ কোটি ২১ লাখৰো অধিক সংখ্যক লোকে পঞ্জীয়ন কৰাৰ অভিলেখ গঢ়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে এই বৃহৎ সংখ্যক লোকে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীয়ে মহিলা সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ প্ৰেৰণা যোগোৱাৰ লগতে দেশৰ নাৰী শক্তি সৱলীকৰণৰ ক্ষেত্ৰত পৰিৱৰ্তনকাৰী প্ৰভাৱ হিচাপে বিবেচিত হ'ব।

০০০০

কৰ্মচাৰী ভৱিষ্যনিধি সংস্থা - ই পি এফ অ' অকল এটা পুজিয়েই নহয়, সামাজিক সুৰক্ষাৰ প্ৰতি দেশৰ কৰ্মশক্তিৰ বিশ্বাসৰ প্ৰতীক বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠান দিৱসত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। ডঃ মন্দাভিয়াই দেশৰ কৰ্মশক্তিৰ সামাজিক আৰু বিত্তীয় কল্যান সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সংস্থাটোৰ ঐতিহাসিক ভূমিকাৰ শলাগ লয়। তেওঁ লগতে নতুন উদ্দেশ্য আৰু দৃষ্টিভংগীৰে নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদান কৰিবলৈ সংস্থাটোৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে কৰ্মচাৰীৰ নাম পঞ্জীয়ন আঁচনি ২০২৫ ৰ আৰম্ভ কৰে। যোগ্য কৰ্মচাৰীসকলৰ নাম স্বেচ্ছাই ঘোষণা কৰিবলৈ আৰু পঞ্জীয়ন কৰিবলৈ নিয়োগকৰ্তাসকলক উৎসাহিত কৰাই আজিৰে পৰা প্ৰযোজ্য এই আঁচনিখনৰ মূল উদ্দেশ্য।

০০০০

বিভিন্ন সামগ্ৰীৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰাৰ পাছতো যোৱা মাহত দেশত সংগৃহীত মুঠ সামগ্ৰী আৰু সেৱা কৰ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ৪ দশমিক ৬ শতাংশ বৃদ্ধি পাই ১ লাখ ৯৫ হাজাৰ কোটি টকা হয়। ২০২৪ ৰ অক্টোবৰত দেশত মুঠ জি এছ টি সংগ্ৰহৰ পৰিমাণ এক লাখ ৮৭ হাজাৰ কোটি টকা আছিল।

০০০০

প্ৰসাৰ ভাৰতীয়ে কাইলৈৰ পৰা ২৯ নৱেম্বৰলৈ সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত সমগ্ৰ দেশৰ ২৪ টা কেন্দ্ৰত আকাশবাণী সংগীত সন্মিলনৰ ৬৭ সংখ্যক সংস্কৰণৰ আয়োজন কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ১৯৫৪ চনত আৰম্ভ কৰা আকাশবাণীৰ সংগীত সন্মিলন দেশৰ সাংস্কৃতিক পৰম্পৰাৰ প্ৰতীক। এই সন্মিলনে দেশৰ চহকী সংগীত ঐতিহ্যৰ সংৰক্ষণ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে কৈছে যে কোৱিড-১৯ মহামাৰীৰ বাবে কিছুসময় বন্ধ ৰখাৰ পাছত এইবেলি নতুন ৰূপত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এইবাৰ প্ৰতিটো কেন্দ্ৰত দুটা অনুষ্ঠানৰ আয়োজন কৰা হব। ইয়াৰে এটা ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু আনটো লোকসংগীতৰ নামত উৎসৰ্গিত হ'ব। পানাজী আৰু শ্বিলঙত বিশেষভাৱে পাশ্চাত্য সংগীতৰ অনুষ্ঠানৰ দিহা কৰা হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অন্ধ্ৰপ্ৰদেশৰ চিকাকুলামৰ শ্ৰীভেংকটেশ্বৰা স্বামী মন্দিৰৰ পদপৃষ্ঠ হৈ ভালেমান লোকে প্ৰাণ হেৰুওৱা ঘটনাত গভীৰ দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে নিহত লোকৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই ঘটনাৰ বাবে গভীৰ দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপৰাষ্ট্ৰপতিগৰাকীয়ে নিহত লোকৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰখ্যাত সাহিত্যিক তথা শিক্ষাবিদ ৰামদৰশ মিশ্ৰৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে ব্যক্তিগৰাকীৰ মৃত্যুত হিন্দী আৰু ভোজপুৰী সাহিত্যত অপূৰণীয় ক্ষতি হোৱাৰ লগতে তেওঁৰ জনপ্ৰিয় সাহিত্যৰাজিৰ বাবে তেওঁক সদায় স্মৰণ কৰা হ'ব।

০০০০

১৯৯০ বৰ্ষৰ ভাৰতীয় প্ৰতিৰক্ষা গাণনিক সেৱাৰ বিষয়া বিশ্বজিৎ সহাই আজি প্ৰতিৰক্ষা গাণনিক সেৱাৰ মহা নিয়ন্ত্ৰক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ইয়াৰ পূৰ্বে তেওঁ প্ৰতিৰক্ষা হিচাপ-নিকাচ বিভাগত ভালেমান দায়িত্ব পালন কৰিছিল। তেওঁ লগতে প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু বিজ্ঞান আৰু প্ৰযুক্তি বিভাগত উচ্চ পদত কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ৩ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে কেৰালা ভ্ৰমণ কৰিব। ভ্ৰমণৰ অংশ হিচাপে তেওঁ প্ৰথম দিনা কোল্লামৰ ফাতিমা মাতা নেচনেল কলেজৰ হীৰক জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰিব। উপৰাষ্ট্ৰপতিগৰাকীয়ে একেদিনাই কোল্লামত ভাৰতীয় নাৰিকলৰ আঁহ ৰপ্তানী সংস্থাৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা তেওঁ তিৰুৱনন্তপুৰমত শ্ৰী চিত্ৰা তিৰুনাল চিকিৎসা বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানখন ভ্ৰমণ কৰিব।

০০০০

দুটা গ্ৰেণ্ডশ্লেম খিতাপ দখল কৰা ভাৰতৰ ৰোহন বোপান্নাই পেছাদাৰী টেনিছৰ পৰা অৱসৰৰ কথা ঘোষণা কৰিছে। ইয়াৰ লগে লগে খেলুৱৈগৰাকী ২০ বছৰীয়া খেলুৱৈ জীৱনৰ সামৰণি পৰে। বোপান্নাই আজি সামাজিক মাধ্যমযোগে অৱসৰৰ কথা সদৰি কৰে।

oooo

আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ নৱী মুম্বাইৰ ডঃ ডি ৱাই পাটিল স্পোৰ্টছ একাডেমীত হ'বলগীয়া ফাইনেলত ভাৰত - দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন চেমিফাইনেলত ইংলেণ্ডক ১২৫ ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতে যোৱা বৃহস্পতিবাৰে নৱী মুম্বাইত অনুষ্ঠিত ৰোমাঞ্চকৰ দ্বিতীয়খন ছেমিফাইনেলত অষ্ট্ৰেলিয়াই ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

oooo

ঃঃ সমাপ্ত ঃঃ